# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 10-06-2025
**Time :** 1800 HRS

# *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি লোকসেৱা ভৱনত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ নিযুক্তি আয়োগৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত এই নিযুক্তি প্ৰক্ৰিয়াৰ অগ্ৰগতি সন্দৰ্ভত আলোচনা কৰা হয়। ডঃ শৰ্মাই হ'বলগীয়া দক্ষতা পৰীক্ষাসমূহ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। ইয়াৰ পূৰ্বে তেওঁ আজি বৰাক উপত্যকাৰ মন্ত্ৰী, বিধায়ক আৰু বৰাক উপত্যকা উন্নয়ন বিভাগৰ বিষয়াসকলৰ সৈতে অঞ্চলটোৰ উন্নয়নৰ সৈতে জড়িত এখন গুৰুত্বপূৰ্ণ বৈঠকত অধ্যক্ষতা কৰে। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই বৰাকৰ তিনিওখন জিলাত সম-উন্নয়ন  নিশ্চিত কৰাৰ উদ্দেশ্যে কেইবাটাও পদক্ষেপৰ কথা উল্লেখ কৰে। তেওঁ লগতে অসামৰিক চিকিৎসালয়সমূহত এম আৰ আইৰ সুবিধা আগবঢ়োৱাৰ ক্ষেত্ৰত বিভাগীয় সমন্বয় অক্ষুণ্ণ ৰাখিবলৈ আহ্বান জনায়। বৈঠকত বৰাকত সাংস্কৃতিক আৰু ক্ৰীড়া মহোৎসৱৰ পৰিকল্পনাৰ উপৰি দিল্লী আৰু কলকাতাত প্ৰস্তাৱিত বৰাক ভৱন সন্দৰ্ভতো আলোচনা কৰা হয়। ডঃ শৰ্মাই আজি গেলেফু মাইণ্ডফুলনেছ চিটী প্ৰকল্পৰ মুখ্য কাৰ্যকৰী দলৰ সৈতেও আলোচনাত মিলিত হয়। তেওঁ অসম-ভূটানৰ দ্বিপাক্ষিক সহযোগিতা, যুৱ শক্তিৰ উত্তৰণৰ উপৰি গেলেফু নগৰ প্ৰকল্পৰ সফল কাৰ্যকৰীকৰণৰ বিষয়ত আলোচনা কৰে।

ooooo

উৎকট গৰমৰ পৰিপ্ৰেক্ষিতত কামৰূপ মহানগৰ, নগাঁও, মৰিগাঁও, যোৰহাটকে ধৰি প্ৰায়বোৰ জিলাৰ বিদ্যালয়সমূহৰ পাঠদানৰ সময় সাল-সলনি কৰাৰ বাবে বিদ্যালয়সমূহৰ পৰিদৰ্শকে এটা নিৰ্দেশ জাৰি কৰিছে। এই অনুসৰি কাইলৈৰ পৰা নিম্ন প্ৰাথমিক বিদ্যালয়সমূহৰ পাঠদান পুৱা চাৰে ৭ বজাৰ পৰা চাৰে ১১ বজালৈ, মধ্য ইংৰাজী বিদ্যালয়সমূহৰ পাঠদান পুৱা চাৰে ৭ বজাৰ পৰা দিনৰ ১২ বজালৈ আৰু উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহৰ পাঠদান পুৱা চাৰে ৭ বজাৰ পৰা দিনৰ চাৰে ১২ বজালৈ কৰা হ'ব। বিদ্যালয়সমূহক লগতে প্ৰাতঃসভা শ্ৰেণীকোঠাৰ ভিতৰত অথবা ছাঁ পৰা স্থানত অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। তদুপৰি ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়ত থকা সময়ছোৱাত পৰ্যাপ্ত পৰিমাণে পানী খোৱাটো নিশ্চিত কৰাৰ বাবে বিদ্যালয়ৰ প্ৰাংগণত খোৱাপানীৰ সুবিধা নিশ্চিত কৰিবলৈ নিৰ্দেশটোত উল্লেখ কৰা হৈছে। বিদ্যালয়সমূহৰ শ্ৰেণীকোঠাত যাতে ভালদৰে বতাহ চলাচল কৰিব পাৰে আৰু সকলো বৈদ্যুতিক ফেন কাৰ্যক্ষম হৈ থকাটো নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীয়ে ব্লেজাৰ, ৰেচকোট বা টাই পৰিধান কৰিব নালাগে আৰু জোতা পিন্ধি অস্বস্তি অনুভৱ কৰা ছাত্ৰ-ছাত্ৰীসকলে চেণ্ডেল পিন্ধিব পাৰিব বুলি নিৰ্দেশটোত উল্লেখ কৰা হৈছে। গৰমৰ বাবে কোনো ছাত্ৰ-ছাত্ৰীয়ে অসুবিধা পালে তাৎক্ষণিকভাৱে নিকটৱৰ্তী চিকিৎসালয়ৰ সৈতে যোগাযোগ কৰিবলৈ বিদ্যালয়সমূহক নিৰ্দেশ দিয়া হৈছে।

০০০০০

ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি জিলাত সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰালয়ৰ আঁচনিৰ অধীনত ৬২৩ গৰাকী দিব্যাংগ হিতাধিকাৰীৰ মাজত ৩ হাজাৰ ৫৩৩ বিধ সা-সঁজুলি বিতৰণ কৰে। ভাৰতীয় কৃত্ৰিম অংগ উৎপাদন নিগমৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত ধেমাজিৰ ৰাজহুৱা প্ৰেক্ষাগৃহত আয়োজিত সামাজিক অধিকাৰিতা শিবিৰত অংশগ্ৰহণ কৰি ডাঃ পেগুৱে কয়, যে নিজৰ অক্ষমতাৰ বিষয়ে চিন্তা-চৰ্চা কৰাৰ পৰিৱৰ্তে সক্ষম দিশসমূহত মনোনিৱেশ কৰিলে সফলতা লাভ কৰিব পাৰি।

০০০০০

অৰুণোদয় আৰু মহিলা উদ্যমিতা আঁচনিত যোগ্য হিতাধিকাৰীক বঞ্চিত কৰা আৰু আঁচনি দুখনৰ ৰূপায়ণত ৰাজনীতিকৰণৰ অভিযোগত আজি ধেমাজিত কৃষক মুক্তি সংগ্ৰাম সমিতি আৰু ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। প্ৰতিবাদকাৰীসকলে এই আঁচনি দুখনৰ পৰা যোগ্য হিতাধিকাৰীয়ে যাতে সুফল লাভ কৰে তাৰ বাবে দাবী জনাই এখন স্মাৰক পত্ৰ ধেমাজি জিলা আয়ুক্তৰ যোগেদি মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে।

০০০০০

যোৰহাট জিলাৰ আয়ুক্ত জয় শিৱানীয়ে আজি যোৰহাট-জাঁজী ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ কাম পৰিদৰ্শন কৰে। আয়ুক্তগৰাকীয়ে ভোগদৈ আৰু জাঁজী দলঙৰ কাম-কাম অতিশীঘ্ৰেই সম্পূৰ্ণ কৰিবলৈ কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে পথ নিৰ্মাণৰ কাম ৯৭ শতাংশ কাম সম্পূৰ্ণ হৈছে আৰু চাৰিলেনযুক্ত এই পথ যাতায়াতৰ বাবে মুকলি কৰি দিয়া হৈছে।

০০০০০

সমাপ্ত